**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৭/২০২০**

# শ্ৰীশ্ৰী সূৰ্য পাহাৰ দৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে
# গোৱালপাৰাৰ মৰনৈস্থিত সৈনিক স্কুলৰ নৱনিৰ্মিত চুইমিং পুল মুখ্যমন্ত্ৰীৰ দ্বাৰা উদ্বোধন

**দিছপুৰ, ৯ ফেব্ৰুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গোৱালপাৰাৰ ডুবাপাৰাস্থিত শ্ৰীশ্ৰী সূৰ্য পাহাৰ দৰ্শন কৰি ইয়াত চলি থকা বিষ্ণু যজ্ঞথলীত ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ কুশল-মঙ্গল কামনা কৰি সেৱা জনায়। এই পৰিদৰ্শন কালতে মুখ্যমন্ত্ৰীয়ে শ্ৰীশ্ৰী সূৰ্য পাহাৰ মহাপীঠস্থান চৌহদত বৃক্ষ ৰোপণ কৰে। এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীক শ্ৰীশ্ৰী সূৰ্য পাহাৰ মহাপীঠস্থান পৰিচালনা সমিতিৰ লগতে কেইবাটাও দল-সংগঠনে স্মাৰক পত্ৰও প্ৰদান কৰে। পৰিদৰ্শনৰ অন্তত উপস্থিত থকা সংবাদসেৱী সকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে শ্ৰীশ্ৰী সূৰ্য পাহাৰ মহাপীঠস্থানৰ সৰ্বাংগীন উন্নতিকল্পে এক বিস্তৃত প্ৰকল্প প্ৰস্তুত কৰাৰ বাবে ইতিমধ্যে আৰ্কিঅ'লজিকেল বিভাগক কোৱা হৈছে বুলি কয়। ইয়াৰ পূৰ্বে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা এই মহাপীঠস্থানৰ উন্নয়নৰ বাবে ৫০ লাখ টকা প্ৰদান কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কোৱাৰ লগতে শ্ৰীশ্ৰী সূৰ্য পাহাৰৰ প্ৰত্নতাত্ত্বিক দিশ সমূহৰ সংৰক্ষণৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব বুলিও কয়।

আজিৰ এই পৰিদৰ্শন কালত হাউছফেডৰ অধ্যক্ষ তথা অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে গোৱালপাৰাৰ মৰনৈস্থিত সৈনিক স্কুলত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা চুইমিং পুল এটাৰো আনুষ্ঠানিকভাবে শুভ উদ্বোধন কৰে।

**বঃভাঃ**
**০৯/০২/২০২০**